# বিপ্লবর বীণ—

— জমিরুদ্দিন

# বিপ্লৱৰ বীণ

... BUX KANOI LIBRARY
No. A. 419
Date 12/7/51
DIBRUGARH COLLEGE

891.451
AHM

মোহাম্মদ জমিৰুদ্দিন আহমদ
কবিতা কুটীৰ
দক্ষিণ পকোৱা

পৰিবেশক
চপলা বুক ষ্টল
অসমৰ বৃহত্তম পুস্তক প্ৰতিষ্ঠান

প্ৰকাশক ঃ—

## মিনাৰ পাব্লিছিং কোং

লিখকৰ ঃ—

* অগ্নিশিখা (বজাবত দুৰ্লভ)
* ফাতিহা-ই-দোৱাজ দহম — ।৶
* ভিক্ষাৰী (করুণ কবিতা) — ১৲
* বিপ্লৱৰ গীণ (কবিতা) ।৶
* হিন্দু-মুছলিম ঐক্য (ওলাব লাগিছে)
* যুগৰ কঙ্কাল (ওলাব লাগিছে — নীপিড়িত সমাজৰ ৰক্ত-পিচল ভূমিত গজি উঠা অভিনৱ আধুনিক গল্প)

গুৱাহাটী বিষ্ণু প্ৰেছত— শ্ৰীযোগেন্দ্ৰনাথ দাসৰ দ্বাৰা মুদ্ৰিত

RAISAHIB HANUMAN BUX KANOI LIBRARY
No...............
Date...............
DIBRUGARH COLLEGE.

সমৰ্পণ ঃ—

শোষিত, নিপীড়িত মানৱ সমাজক ভণ্ড অত্যাচাৰী
শোষক সকলৰ হাতৰ পৰা উদ্ধাৰ কৰি মানৱতাৰ
আলোক পাত কৰিবৰ বাবে যি সকল
সাম্যবাদী বিপ্লৱীয়ে নিজক সাধনাত
ৰত কৰিছে দুনিয়াৰ সেই স্থিৰ
প্ৰতিজ্ঞ সাধকসকলৰ
দৃঢ় কৰত—

—লিখক

* জ্বলি যা'ক ধনিকৰ বিলাস কানন
ভস্ম হ'ক অসাম্যৰ অন্ধ সংস্কাৰ
সমানে পাওক সবে আলোকৰ দেশ
শোষণৰ কুট চক্ৰ হ'ক চাৰখাৰ *

# ভাঙিদে

ভাঙিদে ভাঙিদে—
কাৰাৰ প্ৰাচীৰ ভাঙিদে
হে মোৰ কাৰাৰ বাসীৰ দল
বন্দী বীৰৰ দল
(আজি) পৰাধীনতাৰ কাৰাৰ প্ৰাচীৰ ভাঙিদে
ভাঙিদে ভাঙিদে
কাৰাৰ প্ৰাচীৰ ভাঙিদে।

হাতত কঠিন হাঁতুৰি তোৰ
তই— শিলযে ভাঙিছ অনেকবোৰ
বন্দী-খানা ভাং আজি তোৰ
বাহুৰ বলৰ চিনাকি দে।
ভাঙিদে ভাঙিদে
কাৰাৰ প্ৰাচীৰ ভাঙিদে॥

তোৰ— কলঙ্কিত কাৰাৰ প্ৰাচীৰ ভাঙিদে
বন্দী হাতৰ লোহ শিকল চিঙিদে
তোৰ— বিজয় কীৰিতি উচ্ছ শিৰত
বিশ্ব সভাক দেখাই দে।
ভাঙিদে ভাঙিদে
কাৰাৰ প্ৰাচীৰ ভাঙিদে॥

---

# বিপ্লৱৰ বীণ

উঠা বীৰ মোৰ সেনাৰ দল
উঠা বিপ্লৱী বীৰৰ দল
আমি— নতুন জগত পাতিব লাগিব
পুৰণি বিদূৰ কৰিব লাগিব
দৃঢ় মুঠিৰ কঠিন আঘাত পাপ জগতৰ বুকত মাৰি
কৰিব লাগিব নাস্তি-নগৰৰ ভণ্ডামিতাৰ চূৰ্ণ কৰি
ঝাণ্ডা উৰাই জোৰ কদমে ওলাই আহাহে তৰুণ দল
উঠা বীৰ মোৰ সেনাৰ দল
উঠা বিপ্লৱী বীৰৰ দল ॥

বিপদ বিঘিনি বজ্র তুফান
আগত পৰিব যতেক যিমান
ওফৰাই দিম বাহুৰ বলেৰে
হাস্য বদনে সাবত্তি ধৰি
হাজাৰ যুগৰ মলও মামৰ
নিজৰ হাতেৰে জ্বলাই পুৰি
সৃষ্টি কৰিম নতুন দুনিয়া আমি যুগান্তকাৰীৰ দল
উঠা বীৰ মোৰ সেনাৰ দল
উঠা বিপ্লৱী বীৰৰ দল ॥

মেঠৰ মজুৰ গোলাম মুচি
অচ্যুত নীচ নাপাক অশুচি
‘তুমি সৰু জাত তুমি মলিয়ন’—
ধৰ্ম্ম আচাৰীৰ বাক্য মানি
ৰবা কিয় ভীৰু নম্র নত শিৰে
মানবাত্মাত কালিমা সানি
উঠি আহা হেৰা দলিত পীড়িত উঠি আহা মোৰ পতিতদল
উঠা বীৰ মোৰ সেনাৰ দল
উঠা বিপ্লৱী বীৰৰ দল ॥

যি নীতি কৰিছে হেয় দীন
যি শাস্ত্রে কৰিছে শক্তি ক্ষীণ
সেই নীতি তুমি মানিবা কিয়নো
কিয় আত্মাত সানিবা পাপ
সেই শাস্ত্র ৰাশি কৰি পুৰি ছাই
মছাহি তোমাৰ কালৰ শাপ
ভয় নাই হেৰা ভয় নাই ভীৰু আহাহে ধৰ্ম পূজাৰী-দল
উঠা বীৰ মোৰ সেনাৰ দল
উঠা বিপ্লৱী বীৰৰ দল ।

আমাৰ আজি বিধান নৱ
শাস্ত্র আমাৰ অভিনৱ
ধৰ্মত আমাৰ নাইযে একো
চল চাতুৰি জুৱাৰ খেল
শাস্ত্রত আমাৰ ভণ্ডামীয়ে
খাইছে চিৰ দিনৰ জেল
ভাঙ্গি নীতি –কাৰাৰ প্ৰাচীৰ ওলাই আহাহে ৰুদ্ৰ দল
উঠা বীৰ মোৰ সেনাৰ দল
উঠা বিপ্লৱী বীৰৰ দল ॥

মানৱ জাতত এক সমান
স্বত্ব সবাৰো এক সমান
উচ্ছ নীচৰ গণ্ডী বান্ধি
বুদ্ধি-চিকাৰী পাতিছে জাল
গৰীব ধনীৰ প্ৰভেদ ঘটাই
ব্যৱসা বজাৰ কৰিছে লাল
উঠা মুমূৰ্ষু, উঠাহে আতুৰ বঞ্চিত মোৰ শোষিত দল
উঠা বীৰ মোৰ সেনাৰ দল
উঠা বিপ্লৱী বীৰৰ দল ॥

ধনীয়ে সাজিব আৰাম বাগ
তাজমহল ও ৰাজ প্ৰাসাদ
বিলাসীতাৰ স্বপ্ন পূৰীত
মগ্ন থাকিব ৰাতিক দিন
অলেখ হাজাৰ গৰীব মজুৰে
আহাৰ বিহীনে হবহি ক্ষীণ
এই কুহকৰ কবৰ সাজিম আমি কৰ্মজীৱী স্ৰষ্টা দল
উঠা বীৰ মোৰ সেনাৰ দল
উঠা বিপ্লৱী বীৰৰ দল ॥

আমি— ধৰণী বিদাৰি মাণিক তুলিছো
কৃষিৰ ফলেৰে জগত পালিছো
হাতেৰে আমাৰ তৈয়াৰ কৰিছো
নানান যন্ত্র দালান শাৰী ;
নোৱাৰিম আৰু শাসিব জগৎ
নীতিৰ সুত্র ৰচনা কৰি ?
নোৱাৰিম বুলি শাষিব জগৎ নাভাবিবা মোৰ তৰুণ দল
উঠা বীৰ মোৰ সেনাৰ দল
উঠা বিপ্লবী বীৰৰ দল ॥

আমি-- নতুন সমাজ গঢ়িব লাগিব
নতুন বিধান ৰচিব লাগিব
আমাৰ বিধিত আমাৰ দেশত
স্রষ্টাই কৰিব সৃষ্টি ভোগ
বেকাৰ বিলাসী অলস প্রভুৰ
গুচাব লাগিব নিচাৰ ৰোগ
শক্তি গৰবে উদাৰ হিয়াৰে গোৱাজয় গান বিজয় দল
উঠা বীৰ মোৰ সেনাৰ দল
উঠা বিপ্লবী বীৰৰ দল ॥

*অসম প্রাদেশিক ছাত্রকেডাৰেশ্বনৰ ৭ ম বাৰ্ষিক গুৱাহাটী অধি-বেশনত পঠিত ॥

# মাতৃ নহয় মাটি

মাতৃ নহয় মাটি ইযে মাতৃ নহয় মাটি
মাতৃ পূজাৰ থাপনা মিথ্যা
মাটিৰ কথাই খাঁটি
মাতৃ নহয় মাটি ইযে মাতৃ নহয় মাটি ॥

যাৰ ওপৰত আকাশ নীলাম্বৰী
চউপাশে যাৰ সাগৰ অপাৰ বাৰি
বুকৰ মাজত শিলৰ পাহাৰ ঘন
হিংস্ৰ জীৱৰ ভৰা গহন বন
য'ত লাগে আৰ্জি খাব কঠিন কষ্ট কৰি
শত্ৰু যাগে চতুৰ্দিশত যমৰ দণ্ড ধৰি
মাতৃ নহয় মাটি ইযে মাতৃ নহয় মাটি
সমস্যাময় ধৰিত্ৰী এই মাতৃ নহয় মাটি ॥

মাতৃ হৃদয় কোমল অতি
নাই তাত একো ভয়ৰ লেশ
অমৃতময় পিযুষ ধাৰা
ইযেন শিশুৰ স্বৰ্গ দেশ

'মাতৃ-শিশু'—
সহজ কথা
সহজ মায়াৰ দান প্ৰদান
সহজৰেই পূণ্য স্থান
অসহজৰ কঠিনতাৰ তিলৰ লেশো নাইযে তাত
সহজ মায়াৰ অমৰ নিজৰা অমিয়া সুৰেৰে বাগৰে তাত

—মাটি নহয় সহজ সৰল
বিশাল পৃথিবী ৰণৰ থল
নাই জননীৰ পিযুষ ধাৰি
অন্ন ক্ষুধাৰ ঘোৰ কোলাহল।
মাতৃ চেনেহ নাইযে মাটিত
—মাটি বলীৰ হাতৰ মুঠিত;
—যোগ্য ভোগ্যা বসুন্ধৰা
—মাতৃ নহয় হেৰা
নহয় ধৰিত্ৰী এই
ইযে মাটিৰ ধৰা।

মাতৃ নহয় মাটি ই যে মাতৃ নহয় মাটি
কষ্ট ক্লেশেই ভৰা ইখন মাতৃ নহয়—মাটি॥

# অভিযান

অভিযান
মহা অভিযান
বিপ্লৱৰ বিদ্ৰোহৰ উথলি তুফান
মানৱৰ মুকুতিৰ ঘোষি জয় গান
চুক হ'ক মোৰ অভিযান
অগ্নিময় বিপ্লৱৰ মহা অভিযান ॥
দলিতৰ হাতে হাতে ঝলকি নিচান
শকতিৰ কৃপাণক কৰি খৰসান
দানবীয় লাঞ্ছনাৰ কৰি অৱসান
চুক হ'ক আজি অভিযান
দূৰবাৰ মহা অভিযান ॥
যুগে যুগে বৈ যোৱা ক্লেদ জগতৰ
মচি ধুই চিৰতৰে ৰচি যুগান্তৰ
অমঙ্গলী দুৰ্নীতিৰ কৰি বিসৰ্জন
গুমৰি উঠোক আজি মুক্ত অভিযান
ধ্বংস কৰি অতীতৰ অন্ধ আৱৰণ ।

আজি—দানৱৰ চালনাত মানৱ চালিত
মানৱৰ মানৱতা দূৰ্ বা—দলিত
নীপিড়িত ম্রিয়মান শুষ্ক জীৱীগন
সেয়ে হ'ক চুৰু আজি এই অভিযান
বান বিজুলিৰ সম নৱ ক্রিয়মান ॥

মানৱৰ সত্যতাত পঙ্কিলতা লাগি
পাপ-ক'লা-কলঙ্কৰে হল ধৰা দাগি
দূৰ্নীতিৰে হল অন্ধকাৰ
চাৰিফালে খালি হাহাকাৰ
চাৰিফালে খালি চিৎকাৰ
সেয়ে গাওঁ জয়ী হ'ক এই অভিযান
ধ্বংস কৰি দুনিয়াৰ ক্রূৰ চয়তান ॥

ভণ্ডামীৰ মন্ত্র শাস্ত্র য'ক জ্বলি পুৰি
ভঞ্চকৰ জুৱাচুৰি হ'ক চাৰ খাৰ
উঠোক মধুৰ গান সত্য মানৱৰ
মানৱ কীৰিতি হ'ক উচ্ছ মহিয়ান
— সত্য জ্যোতিষ্মান
নতুন তেজেৰে হ'ক চুৰু অভিযান
শক্তিময় বিপ্লৱৰ বজ্র অভিযান ॥

মুক্তি যুজৰ সৈনিক আমি
যুজেই আমাৰ জীৱন পন
হয় যদি হ'ক এই যুজতেই
ক্ষুদ্ৰ আমাৰ আত্মা দান।

বিঘ্নি বাদল আহক যিমান
ভয় কিনো ভাই নহওঁ ম্লান
আছে ক্ষুৰ-ধাৰ হৃদয় কৃপাণ
তাৰেই কৰিম আলিঙ্গন।

জয় পৰাজয় নহয় বিচাৰ,
বিজয় নতু পৰাজয়েই
লাভ হব এই মিথ্যাৰ কবল
ভেদিব আমাৰ আঘাতটিয়ে।

লাভকি ভাবি দুদিন-জীৱন—
যুজটি আমাৰ সফল হব
হাঁহিব সতেই মৃত্যু বৰিম
লক্ষ্য আমাৰ সদায় জীৱ।

জীৱন্ত যুৱক বীৰ

নোহোৱা তুচ্ছ নোহোৱাহে ভীৰু
চিৰ উন্নত শিৰ।

অগনি সমান তপত শোণিত
বুকত বব লাগিছে
সমৰ সক্ষম যুৱক দেহত
ধমনি নাচি উঠিছে॥

বিদ্রোহী বীৰ বীৰত্ব দেখাব
দিন যে আজি আহিছে
সমৰ ক্ষেত্ৰত প্ৰাণ নচুৱাই
সমৰ ভেৰি বাজিছে॥

জগৎ সভাত দেখাব লাগিব
মুক্তি কামীৰ শৌৰ্য
পেষিত প্ৰাণত যোগাব লাগিব
শক্তিৰ চৰম বীৰ্য।

তুমিযে মহান তুমিযে মানৱ চিৰ উন্নত শিৰ
নোহোৱা তুচ্ছ নোহোৱা ভীৰু তুমিযে যুৱক বীৰ॥

---

কণ্ঠাগত প্ৰাণ লই হেৰা নোৱাৰা কৰ্ম সাধিব
অত্যাচাৰীৰ অত্যাচাৰক নোৱাৰা মুঠেই ৰুধিব।

লাঞ্চিত হই থাকিব লাগিব
দিলে ভীৰুতাক হিয়াত ঠাই
পৰাধীনতাৰ অপমান আৰু
লাগিব সদায় থাকিব বই।

ধিক্কাৰ শত এই জীৱনত
জনমো তোমাৰ অথলে যাব
জগতে মাথোন চিৰ দিনলই
হিয়াহীন বুলি কুযশ গাব॥

কণ্ঠাগত প্ৰাণ লই হেৰা নোৱাৰা কৰ্ম সাধিব
অত্যাচাৰীৰ অত্যাচাৰক নোৱাৰা মুঠেই ৰুধিব।

---

অনৈক্যতাৰ দুৱাৰ ভাঙি একতাৰে আজি সমিল হই
দেশৰ শত্ৰুক খেদিব লাগিব সাত সাগৰৰ সিপাৰ কই

দেশৰ দুৰ্গতি মচিব লাগিব
মচিব লাগিব আতৰ ক্লেশ
অত্যাচাৰৰ ঘোৰ দাবানল
কৰিব লাগিব নিশ্চয় শেষ

প্ৰণয় হীনক আঁতৰ কৰি
জানিবা দেশৰ কৰ্ত্তব্য কৰ্ম
শান্তিৰে দেশ ধুৱাব লাগিব
আগত তোমাৰ মহান ধৰ্ম।

অনৈক্যতাৰ দুৱাৰ ভাঙি একতাৰে আজি সমিল হই
দেশৰ শত্ৰুক খেদিব লাগিব সাত সাগৰৰ সিপাৰ কই ॥

---

# জাতীয় ৰণত আজি হোৱা আগুৱান

বাজিছে ৰণৰ শিঙা ভৈৰৱ নিনাদে
উঠা হেৰা মুক্তি কামী সৈনিকৰ দল
ভাৰত জাতিৰ অগ্নি পৰীক্ষাৰ দিন
—যুগ যুগ সাধনাৰ নকৰা নিস্ফল।

লোৱা প্ৰেম-ত্যাগ-সত্য-অস্ত্ৰ তীক্ষ্ণ ধাৰ
জাতিৰ জন্মৰ দাবি—পূৰ্ণ-অধিকাৰ
নীচ-হীন-স্বাৰ্থ ত্যাগি কৰিম উদ্ধাৰ
—লভিম বিজয় বুলি কৰা অঙ্গিকাৰ।

পৰীক্ষাৰ দিন আজি জীৱন মৰণ
জাতায় ৰণত হেৰা হোৱা আগুৱান॥

# জাতীয় ৰণত আজি হোৱা আগুৱান

বাজিছে ৰণৰ শিঙা ভৈৰৱ নিনাদে
উঠা হেৰা মুক্তি কামী সৈনিকৰ দল
ভাৰত জাতিৰ অগ্নি পৰীক্ষাৰ দিন
—যুগ যুগ সাধনাৰ নকৰা নিস্ফল।

লোৱা প্ৰেম-ত্যাগ-সত্য-অস্ত্ৰ তীক্ষ্ণ ধাৰ
জাতিৰ জন্মৰ দাবি—পূৰ্ণ-অধিকাৰ
নীচ-হীন-স্বাৰ্থ ত্যাগি কৰিম উদ্ধাৰ
—লভিম বিজয় বুলি কৰা অঙ্গিকাৰ।

পৰীক্ষাৰ দিন আজি জীৱন মৰণ
জাতীয় ৰণত হেৰা হোৱা আগুৱান॥

# শান্তিকামীৰ প্ৰতি

হে যোগী!
দেখি এই জগতৰ শত শত নিৰ্যাতিত দল
চোৱা যদি মচি দিব দুখ-ব্যথা-শোক-অশ্ৰুজল
এৰা যোগ ধ্যান
তীক্ষ্ণ দৃষ্টি স্থিৰ লক্ষ আগ কৰা প্ৰাণ!

হে বলী,
শেষ কৰা কাৰুণ্যৰ ভীক্ষাৰ অঞ্জলি
—নীলিম উদাৰ বুকে গঢ়ি তোলা বিজুলিৰ বাণ
ৰক্ত আখি দৃঢ় মুঠি ধৰাহি কৃপাণ।
জগত গ্ৰাসিব বুলি উচ্চ ফণা তুলি
উঠে যেবে ফণীধৰ—কাল বিষধৰ
কৰা বীৰ—কৰা চুৰ মাৰ

যাৰে বুকে জাগে নিচা ৰক্ত-মাদকতা
তাৰে মুখে ঢালি দিয়া তীব্ৰ হলাহল
তৃষিত কলিজা তাৰ য'ক জ্বলি পুৰি
কণ্টক বিহীন হক মহা ধৰাতল ।

ওহে হুদিমান
তাৰ পাচে,
তাৰ পাচে তুলি লোৱা কোমল হাতেৰে
জগতৰ নিৰ্যাতিত দল
বুকত চপাই ধৰি কৰি আলিঙ্গন
মচি দিয়া ব্যথা ভৰা আৰ্ত-আখি-জল

হাতৰ কৃপাণ এৰি শত্ৰুদল পৰাজিত হই
ভৰিত পৰিব যেৰে ৰক্ষা কৰা বুলি
তাকো তুমি কৰা আলিঙ্গণ
একে ভাবে তাকো লোৱা তুলি ;
—তাৰো মুখে কৰি লোৱা প্ৰতিজ্ঞা স্বীকাৰ
"জগৎ সভাৰ মাজে মানৱ জাতৰ
সমস্বত্ব সকলোৰে সম অধিকাৰ
কাৰো স্বত্ব-স্বাৰ্থ-ৰক্তে নাই মোৰ অধিকাৰ
ময়ো নোহো অধীন পৰৰ ।"

আৰু কোৱা—

"তুমি আমি সকলো সমান—
উচ্চ নীচ ধৰণীত নোৱাৰে থাকিব
দয়া স্নেহ প্ৰেমে হ'ক ধৰণী শাসন।"

হে মৌনি,

মৌনতাৰে নোৱাৰিবা তুমি
জগতত কুসুম ফুলাব
জগতত শান্তি পোহৰাব
নহয় জানিবা এই শান্তিৰ সাধনা
সঁচাকৈ মাথোন হৈছে আত্ম প্ৰবঞ্চনা॥

---

# মোক লাগে

মোক লাগে সেই সুৰ লাগে সেই গান
যি সুৰৰ পাশত সুপ্ত সজাগি উঠে
মুমূৰ্ষুৰ শিৰে শিৰে জাগে নব প্ৰাণ
প্ৰভু-দাস প্ৰভেদৰ সীমা ৰেখা ভাগি
যি সুৰত ধ্বনি উঠে সাম্য মহা গান
মোক লাগে সেই সুৰ লাগে সেই গান ॥

মোক লাগে সেই গীত লাগে সেই তান
যি গীতৰ পৰশত উচ্চ আৰু নীচতাৰ
গৰ্ব আৰু ভয় দুয়ো হয় ম্ৰিয়মান ।
দলিতৰ বুকে বুকে বিদ্ৰোহৰ জুই জ্বলে
ভয়াতুৰ মানবক কৰে বলীয়ান
মোক লাগে সেই গীত লাগে সেই তান ॥

মোক লাগে সেই হিয়া লাগে সেই প্ৰাণ
যি প্ৰাণৰ পৰশত জ্বলি উঠি মানৱতা
বুকে বুকে ভাঁহি উঠে প্ৰণয়ৰ গান
যি সুৰৰ জুই লাগি ছাই হয় মলিনতা
অভঙ্গ অঙ্কুৰ হয় মানৱৰ প্ৰাণ
মোক লাগে সেই হিয়া লাগে সেই প্ৰাণ ॥

মোক লাগে সেই ধৰ্ম-নীতি-জ্যোতিষ্মান
যি ধৰ্মই গঢ়ি তোলে নতুন সমাজ
সৰু বৰ নাই ভেদ সমান আসন
বিশ্বময় হব পাৰে প্ৰেমৰ শাসন
সব উচ্চে মানৱতা হব মহীয়ান
মোক লাগে সেই ধৰ্ম লাগে সেই জ্ঞান ॥

---

মোক লাগে সেই হিয়া লাগে সেই প্ৰাণ
যি প্ৰাণৰ পৰশত জ্বলি উঠি মানৱতা
বুকে বুকে ভাঁহি উঠে প্ৰণয়ৰ গান
যি সুৰৰ জুই লাগি ছাই হয় মলিনতা
অভঙ্গ অক্ৰুৰ হয় মানৱৰ প্ৰাণ
মোক লাগে সেই হিয়া লাগে সেই প্ৰাণ ॥

মোক লাগে সেই ধৰ্ম-নীতি-জ্যোতিষ্মান
যি ধৰ্মই গঢ়ি তোলে নতুন সমাজ
সৰু বৰ নাই ভেদ সমান আসন
বিশ্বময় হব পাৰে প্ৰেমৰ শাসন
সব উচ্চে মানৱতা হব মহীয়ান
মোক লাগে সেই ধৰ্ম লাগে সেই জ্ঞান ॥

---

D.H.S.K. College Library
Accession No. A/419
Dibrugarh

—ওলাল— এবাৰ পঢ়ি চাওঁক—

## —"শতাব্দীৰ পৰিহাস"—

কুড়ি শতিকাৰ মানৱ-সভ্যতাৰ বিষয় বস্তুৰ ভিত্তিত লিখা অতি আধুনিক ধৰণৰ কবিতা।

দাম খনে মাত্ৰ ॥ অনা

পোৱাৰ ঠিকনা :—

১। চপলা বুক ষ্টল
শ্বিলং

২। মইনা কুটীৰ
কুমাৰ পাৰা ৰোড,
গুৱাহাটী

৩। লয়াৰ্চ বুক ষ্টল
পানবজাৰ
গুৱাহাটী